কৰিবলৈ সক্ষম হয়। ভাৰতৰ উচ্চ শ্ৰেণীৰ নাৰীৰ ওপৰত পিতৃতন্ত্ৰৰ প্ৰভাৱ বেছিকৈ দেখা যায়। যি সকল ধনী শ্ৰেণীৰ লোক, সেই শ্ৰেণীৰ মহিলাই ঘৰৰ বাহিৰতগৈ কাম কৰিব নালাগিছিল। তেওঁলোক ঘৰৰ ভিতৰতে থাকি ঘৰুৱা কাম কৰি সদায় পুৰুষৰ অধীন হৈ থাকিব লাগিছিল। সন্তান জন্ম দিয়া আৰু লালন পালন কৰাতেই তেওঁলোকৰ কাম সীমাবদ্ধ আছিল। ধনী নাৰী সকল তেওঁলোকৰ স্বামীৰ অধীন হৈ থাকিব লগীয়া হোৱাত তেওঁলোকৰ স্থান সদায় পুৰুষতকৈ তলত আছিল। আনহাতে দুখীয়া শ্ৰেণীৰ নাৰী সকলৰ ওপৰত পিতৃতন্ত্ৰৰ প্ৰভাৱ কিছু কম আছিল কিয়নো তেওঁলোকে ঘৰ বা বাহিৰত দুয়োটা ক্ষেত্ৰতে পুৰুষৰ সমানে সমানে কাম কৰি কিছু অৰ্থনৈতিক স্বাধীনতা লাভ কৰিছিল, যাৰ ফলত তেওঁলোকৰ স্থানৰ অলপ পৰিৱৰ্তন সাধন হৈছিল। নিম্ন শ্ৰেণীৰ নাৰীৰ কোনো ধৰণৰ শ্ৰেণী মৰ্য্যদা নথকাৰ বাবে তেওঁলোকে উচ্চ শ্ৰেণীৰ নাৰীৰ তুলনাত কিছু পৰিমাণে কম অৱদমন আৰু বঞ্চনা ভোগ কৰে। কিন্তু উচ্চ শ্ৰেণীয়েই হওক বা নিম্ন শ্ৰেণীয়েই হওক পিতৃতন্ত্ৰৰ কু-প্ৰভাৱৰ পৰা কোনো মুক্ত নহয়।

বৈদিক যুগৰ পিছৰ সময়ছোৱাত বিশেষকৈ ভূমিৰ ওপৰত ব্যক্তিগত মালিকীস্বত্বৰ ব্যৱস্থা সৃষ্টি হোৱাৰ পিছত ভাৰতবৰ্ষত পিতৃতন্ত্ৰই ভালকৈ খোপনি পোতিবলৈ আৰম্ভ কৰিলে। সম্পত্তিৰ উত্তৰাধিকাৰী স্বত্ব এটা পুৰুষৰ পৰা পিছৰ পুৰুষলৈ হস্তান্তৰ হ'বলৈ আৰম্ভ কৰিলে। মহিলা সকলক বিবাহিত পুৰুষজনৰ অধীন হ'বলৈ বাধ্য কৰিলে। এই বিষয়ে অপস্তম্ভ ধৰ্ম সূত্ৰ (খ্ৰীষ্টপূৰ্ব ৬ ষ্ঠ শতিকা) (Apastamba Dharma Sutra, 6th Century B.C.) বৰ্ণিত আছে যে স্বামীৰ বিনা অনুমতিত পত্নীৰ কাষলৈ কোনো পুৰুষ যাব নোৱাৰিব, যাৰ দ্বাৰা এটা পুৰুষৰ পৰা পিছৰ পুৰুষলৈ তেজৰ শুদ্ধতা থাকিব। প্ৰাচীন ভাৰতৰ বিখ্যাত দাৰ্শনিক মনু আছিল পিতৃতন্ত্ৰৰ এজন প্ৰধান পৃষ্ঠপোষক। তেওঁ মতে মহিলা সকল যি বয়সৰেই নহওক কিয় তেওঁলোকে সদায় পুৰুষ সকলৰ দ্বাৰা ৰক্ষিত হৈ থাকিব লাগে। ভাৰতৰ হিন্দু সমাজ, যিখন সদায় ব্ৰাহ্মণ্য নীতিৰ দ্বাৰা পৰিচালিত তাত নাৰীক সদায় পুৰুষতকৈ কম মৰ্য্যদা প্ৰদান কৰা হয়। 'স্ত্ৰী' ধৰ্ম 'পতিব্ৰতা ধৰ্ম' আদিৰ জৰিয়তে পিতৃতন্ত্ৰৰ প্ৰসাৰ কৰাত হিন্দু ধৰ্মই আগভাগ লৈছিল।

ভাৰতলৈ মুছলিম সকল অহাৰ পিছত ভাৰতীয় সমাজত নাৰীৰ স্থান আগতকৈ অধিক বেয়াৰ দিশলৈ গতি কৰিছিল আৰু পিতৃতান্ত্ৰিকতাবাদৰ শিপা আগতকৈ আৰু বেছিকৈ সবল হৈছিল। মুছলমান সমাজৰ পৰ্দা প্ৰথাই নাৰীৰ স্থান অৱদমিত কৰাত বহুত অৰিহণা যোগাইছিল। বাল্য বিবাহে সমাজত বহুতো বিধবাৰ সৃষ্টি কৰিছিল। সতী প্ৰথাৰ সৃষ্টি এক পিতৃতন্ত্ৰৰেই সৃষ্টি আছিল বুলি ক'ব পাৰি। এই সময়ছোৱাত পুৰুষসকলেই সমাজ তথা পৰিয়ালৰ মুৰব্বী হিচাপে পৰিগণিত হৈছিল। তেওঁলোকেই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা পাইছিল।

বৃটিছ সকল ভাৰতলৈ অহাৰ পিছতো ভাৰতৰ সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক পৰম্পৰা অনুসৰিয়েই চলি আছিল। নাৰী সকলক তেতিয়াও ঘৰৰ চাৰি বেৰৰ মাজতে আবদ্ধ কৰি ৰাখিছিল। তেওঁলোকক শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত কৰি ৰাখিছিল। সতী প্ৰথা তেতিয়াও প্ৰচলন হৈ আছিল আৰু বিধবা বিবাহ প্ৰথাক বাধা প্ৰদান কৰা হৈছিল আৰু বিধৱা সকলক সম্পতিৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা হৈছিল। ১৯৩৭ চনত বৃটিছ চৰকাৰে বিধৱা সকলক সম্পত্তিৰ অধিকাৰ দিবৰ বাবে এখন আইন পাচ কৰিছিল, কিন্তু ভাৰতীয় পুৰুষ প্ৰধান সমাজে বৃটিছ চৰকাৰে প্ৰণয়ন কৰা আইন খনৰ সমৰ্থন কৰা নাছিল।

Scanned with CamScanner

... ভাৰতৰ শ্ৰমিক শ্ৰেণীক সম্পূৰ্ণভৱে সংগঠিত কৰাত সফল হ'ব পৰা নাই। তথাপিতো নিৰ্বাচনৰ সময়ত ভাৰতৰ ৰাজনৈতিক দল নিম্ন বা শ্ৰমিক শ্ৰেণীক ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। শ্ৰমিক আৰু পূঁজিপতি শ্ৰেণীৰ মাজৰ বিৰোধ আছে যদিও ভাৰতৰ আৰ্থ- ৰাজনৈতিক ব্যৱস্থাত শ্ৰেণী বিভাজনে বেছিকৈ প্ৰভাৱ পেলাব পৰা নাই। এই কাৰণেই ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত শ্ৰেণী সংগ্ৰামৰ ধাৰণা খুব স্পষ্ট হৈ পৰা নাই নাইবা শ্ৰেণী সংগ্ৰামৰ ধাৰণাই ভাৰতৰ ৰাজনীতিত গভীৰভাৱে প্ৰভাৱ পেলাব পৰা নাই।

## (গ) পিতৃতন্ত্ৰ (Patriarchy) ঃ

ভাৰতীয় ক্ষমতা সংৰচনাৰ অন্যতম এটা স্তম্ভ হৈছে পিতৃতন্ত্ৰৰ বা পিতৃতান্ত্ৰীক পৰিয়াল। পিতৃতন্ত্ৰৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Patriarchy' এই 'Patriarchy' শব্দটো গ্ৰীক মূল শব্দ 'Patria' আৰু 'Arche' শব্দৰ পৰা আহিছে। 'Patria' মানে পিতৃ আৰু 'Arche' শব্দৰ অৰ্থ হৈছে শাসন, সেয়েহে 'Patriarchy' মানে হ'ল পুৰুষ প্ৰাধান্য পৰিয়াল। পিতৃতন্ত্ৰ ধাৰণাটো বৰ্তমান সময়ত এক গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয়ত পৰিণত হৈছে যদিও প্ৰাচীন কালৰ পৰাই এই মতবাদৰ প্ৰচলন থকাটো পৰিলক্ষিত হয়।

…der, and she … property. In her marital family, … in marriage, …arried

and she also ceases to be a member of her natal family. Since she is not properly educated and trained, she fails in job market and without any access to capital she is bound to give up to her husband and relatives. She is always seen as

Once the daughter is married, she is expected to leave her house and even her surname and go to her husband's home to live with his parents and relatives while the son stays with his parents and family. However interestingly, this expectation of living with the parents is limited to the sons only. It is clearly a patriarchal system that is still deeply entrenched in India. Once the daughter marries, it is expected that her husband's family will be her first priority in every respect and her own parents and siblings become secondary. Further, she is expected to take care of her in-laws along with her husband and children. Hence, this is the prime reason of sons continuing to carry a high premium in India. Earlier before the property laws in India changed in 2005 leading to females also being considered as coparcenaries in the Hindu joint families and deriving complete equality in the sharing of property only the sons were heirs; whereas the dowry given to the daughter was considered her share and claim to the family's wealth. However, of late, anti gender-bia egislations have tried to ensure gender equality in the modern times.

The themes of a mother-in-law's ill-treatment of the daughter-in-law, who wa

Scanned with CamScanner

**পিতৃতন্ত্ৰৰ অৰ্থ (Meaning of Patriarchy) :**

পিতৃতন্ত্ৰ সমাজ গাঁঠনিৰ এনে এটা ব্যৱস্থা য'ত পৰিয়ালৰ মুৰব্বী হিচাপে পুৰুষজনে দায়িত্ব ল'ব হয়। পিতৃতন্ত্ৰ শব্দটো নৃতত্বীয় দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে যি সমাজ ব্যৱস্থাত শক্তি পুৰুষজনে সমাজৰ মুখ্য দায়িত্ব পালন কৰে, সেই সমাজ ব্যৱস্থাক পিতৃতান্ত্ৰিক সমাজ বুলি কোৱা পিতৃতন্ত্ৰ এক লিংগ বৈষম্যকাৰী ব্যৱস্থা, পিতৃতন্ত্ৰই দুটা অৰ্থ বুজায় -

(১) নাৰীৰ ওপৰত পুৰুষৰ অধিকাৰ আৰু (২) সৰু সকলৰ ওপৰত জ্যেষ্ঠ সকলৰ আধিপত্য। পিতৃ এক সামাজিক গাঁঠনি আৰু এই গাঁঠনিয়ে সদায় অসমতাক সমৰ্থন কৰে। পিতৃতন্ত্ৰ ব্যৱস্থাই পুৰুষ মহিলাৰ মাজত বিভেদৰ ভাব সৃষ্টি কৰে। পুৰুষ আৰু মহিলাৰ সমাজত কেনে স্থান হ'ব সেই কথা পিতৃ নিৰ্ণয় কৰে আৰু এই ব্যৱস্থাই সদায় পুৰুষৰ স্থান সমাজৰ পিৰামিদ ব্যৱস্থাৰ ওপৰত ৰখাৰ ব্যৱস্থা কৰে। ব্যৱস্থাই পুৰুষ সকলৰ স্থান মহিলাতকৈ ওপৰত ৰখাৰ পোষকতা কৰে আৰু মহিলাসকল পুৰুষৰ দ্বাৰা নিয় হোৱাৰ পোষকতা কৰে। এই ব্যৱস্থাত পুৰুষ সকলে সমাজৰ উচ্চ স্থানত অৱস্থান কৰি মহিলাসকলৰ ও আধিপত্য বিস্তাৰ কৰিবলৈ বিচাৰে।

এগৰাকী বিখ্যাত নাৰীবাদী চিন্তাবিদ ছিলভিয়া ৱালভি তেখেতৰ বিখ্যাত গ্ৰন্থ 'Theoretical Patr chy' (1997) ত তেওঁ বৰ্ণনা কৰি কৈছে যে 'পতৃতন্ত্ৰ হৈছে সামাজিক গাঁঠনিৰ এক পদ্ধতি আৰু অনুশী য'ত পুৰুষে নাৰীক দমন, উৎপীড়ন আৰু শোষণ কৰে।" (patriarchy is a system of social struct and practices in which man dominate, oppress and exploit women) তেওঁৰ মতে প্ৰাকৃতিক পুৰুষ সকল মহিলা সকলতকৈ উচ্চ নহয়, সেয়েহে মহিলা সকলক নিম্ন মানৰ বুলি বিচাৰ কৰিব নানা

পিতৃতন্ত্ৰ ব্যৱস্থাটো সমাজভেদে বেলেগ বেলেগ হয়। এই ব্যৱস্থাটো এটা গতিশীল ধাৰণা, সময়ৰ পৰিৱ লগে লগে পিতৃতান্ত্ৰিক ব্যৱস্থাটো সলনি হৈ থাকে। উদাহৰণস্বৰূপে ঃ- ভাৰতৰ সমাজ গাঁঠনিত থকা বি সমাজ যেনে - ব্ৰাহ্মণ সমাজ, জনজাতি সমাজ, দলিত সমাজ আদিত পিতৃতন্ত্ৰৰ বেলেগ বেলেগ

(৪) পিতৃতন্ত্ৰই মহিলাসকলক পুৰুষসকলতকৈ কম মৰ্যাদা সম্পন্ন বুলি জ্ঞান কৰে।
(৫) সমাজভেদে পিতৃতন্ত্ৰৰ প্ৰকৃতি বেলেগ বেলেগ হয়।
(৬) পিতৃতন্ত্ৰ এক সাৰ্বজনীন ব্যৱস্থা।

**পিতৃতান্ত্ৰিক পৰিয়াল (Patriarchical Family) ঃ**

পিতৃতান্ত্ৰিক পৰিয়াল প্ৰাচীন সভ্যতাৰ সমাজ ব্যৱস্থাত দেখিবলৈ পোৱা গৈছিল আৰু লগতে মধ্যযুগৰ সামন্তবাদী সমাজতো ইয়াৰ উপস্থিতি পোৱা গৈছিল। খ্ৰীষ্টান ধৰ্মৰ বাইবেলটো পিতৃতান্ত্ৰিক পৰিয়ালৰ বিষয়ে উল্লেখ আছে। পিতৃতান্ত্ৰিক পৰিয়াল সমূহত সাধাৰণতে পুৰুষজনক গোটেই পৰিয়ালটোৰ মুৰব্বী হিচাপে গণ্য কৰা হয়। তেওঁৰ হাততেই গোটেই ক্ষমতা ন্যস্ত কৰা হয়। মুৰব্বীজনে পৰিয়ালটো নিয়ন্ত্ৰণ কৰাৰ লগতে পৰিয়ালৰ সম্পত্তিৰ অধিকাৰো লাভ কৰে। গোটেই পৰিয়ালৰ কৰ্তৃত্ব সম্পন্ন ব্যক্তি পুৰুষ মুৰব্বীজনে পৰিয়ালৰ ৰক্ষাকৰ্তা হিচাপেও দায়িত্ব পালন কৰিব লাগে। ভাৰতৰ সমাজ ব্যৱস্থাটো পিতৃতান্ত্ৰিক পৰিয়ালৰ উপস্থিতি প্ৰাচীন কালৰ পৰাই দেখা যায়। ভাৰতৰ বৈদিক যুগত পৰিয়ালৰ মুৰব্বী হিচাপে পুৰুষজনেই গোটেই পৰিয়ালৰ কৰ্তৃত্ব ল'ব লগা হৈছিল। তেওঁৱেই আছিল ঘৰখনৰ সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী। ঘৰখনৰ ল'বলগীয়া সকলো সিদ্ধান্ত পুৰুষজনেহে ল'ব পাৰিছিল। মহিলা সকলক পৰিয়ালৰ নিম্নস্থানত হে ৰাখিছিল। তেওঁলোকৰ কাম আছিল সন্তান উৎপাদন কৰা আৰু গোটেই ঘৰখনৰ কাম কাজ পৰিচালনা কৰা। বৰ্তমান সময়তো ভাৰতৰ প্ৰায়বিলাক সমাজেই পিতৃতান্ত্ৰিক সমাজ। এতিয়াও ভাৰতৰ পৰিয়ালত পুৰুষৰ সৰ্বোচ্চতাকেই মানি লোৱা হয়। অৱশ্যে কিছুমান জনজাতি সমাজত মাতৃতন্ত্ৰৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। পুৰুষতান্ত্ৰিক সমাজত নাৰী প্ৰথমে পিতৃৰ অধীনত আৰু শেষ বয়সত পুত্ৰৰ অধীন হৈ জীৱন নিৰ্বাহ কৰিব লগা হয়। অৱশ্যে বৰ্তমান সময়ত নাৰী সকলৰ স্থানৰ কিছু পৰিৱৰ্তন ঘটিছে। নাৰী সকলে আগৰ সময়ৰ তুলনাত বহুতো অধিকাৰ লাভ কৰিছে। কিন্তু এতিয়াও কিছুমান ৰক্ষণশীল পৰিয়ালত মহিলা সকলে পুৰুষৰ অধীন হৈ জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে।

কেতিয়াবা কিছুমান পিতৃতান্ত্ৰিক পৰিয়ালতো একোগৰাকী মহিলাই উচ্চস্থান অধিকাৰ কৰা দেখা যায়। কিছুসংখ্যক মহিলাইহে ঘৰৰ চাৰিওবেৰৰ পৰা ওলাই আহি সামাজিক, ৰাজনৈতিক, বৃত্তিগত ক্ষেত্ৰত এক উচ্চ স্থান অধিকাৰ কৰিব পাৰিছে । কিন্তু তেওঁলোকৰ সংখ্যাও অতি নগণ্য। পুৰণি এথেন্স নগৰত নাৰী আৰু ছোৱালীসকলৰ থকা, শোৱাৰ ব্যৱস্থা পুৰুষ সকলৰ থকা ব্যৱস্থাতকৈ বেলেগ আছিল। তেওঁলোকে ঘৰৰ পুৰুষ মুৰব্বীৰ অনুমতি নোলোৱাকৈ ঘৰৰ বাহিৰ হ'ব নোৱাৰিছিল। চীন দেশত মহিলাসকলৰ ভৰি বান্ধি থোৱাৰ এটা নিয়ম আছিল, ইয়ে প্ৰমাণ কৰে যে মহিলাসকল পুৰুষ সকলৰ পৰা মুক্ত নাছিল। এইদৰে পৃথিৱীৰ বিভিন্ন সমাজত পিতৃতন্ত্ৰই সমাজত পুৰয আৰু মহিলাৰ মাজত এক বিভেদৰ দেৱাল সৃষ্টি কৰি আহিছে।

Scanned with CamScanner

often relegated to taking care of the household drudgery and doing chores for the entire families was quite a usual thing in the ancient pretext. This exaggerated depiction was based on reality, often harsher, and it was actually no picnic also for the poor husband being caught in the middle of these family dramas. If he agreed with his wife, he was immediately made to feel guilty by his parents as to how much they had sacrificed for the son which was actually very true as the parents went to great lengths for their son's education and financial success as a son was considered a sort of life insurance for their old age, and if he sided with his parents, the wife accused him of being tied to his mother's apron strings. Generally, due to her financial dependence as a mother of her growing family, the wife remains trapped in the dysfunctional family dynamics.

Our male dominated society suggests that the development of the child requires the mother to devote herself completely to the welfare of the child, and it is her primary duty. The father is not expected to carry out any of these duties. It is a peculiar feature of most societies that the child carries the surname of his/her father and for women, she is first considered property of her father and then her husband. Thus, patriarchy with its alliance to other institutions formed a vicious circle of women deprivation and oppression. Institutions like family, religion, market, community and the state have confined women to specific roles, and have irrationally proved them misfit for public life. No wonder, men are seen as 'breadwinner' and women 'breadmaker'.

There is a growing concern among the liberal minded individuals, social and democratic organizations and even international institutions on the rising trend of gender bias against women in the name of family or clan honour in India. The medieval institution of Khap Panchayat in the name of 'honour killing' has been passing on 'fatwas' against women, who do not follow the socially acceptable behaviour or preserve their chastity have to bear brunt in the form of violence, coercion and killing to restore family honour. The ideology of the so-called family or clan honour is derived from the gender role assigned by patriarchy. The United Nations also takes a very serious view of such heinous crimes. The naked brutality of such acts against women is in contravention of the spirit of the 'United Nations Convention on the Elimination of all forms of Discrimination against Women (CEDAW)' which has been duly signed and ratified by India. The prevalence and entrenchment of the caste system and rapid patriarchal ethos in the society at large are the root cause of this social evil. There are numerous examples in Haryana and Western Uttar Pradesh where these institutions have directly or indirectly precipitated situations leading to cold-blooded murders of women in particular. And it is an open secret that Khap Panchayats are the functional forums of patriarchy in these states and surrounding areas.

Most of the khap panchayat diktats are against couples, who are not from the same gotra. However, couples are selectively targeted and in certain cases even couples not in same gotra are handed 'honour killings'. The main motive behind it is to ensure that property remains within the patriarchal caste domain. Traditionally among matrilineal communities where daughters had strong claims in land (as in Kerala and Meghalaya), post-marital residence was in or near the natal home. This kept the land under the overall purview of the natal family, as did close-

... কম কৰিলে। ভাৰতীয়
... আৰু মহিলা সকলোকে আইনৰ দৃষ্টিত
... গ্ৰহণৰ ক্ষেত্ৰটো পুৰুষ আৰু মহিলাৰ মাজত থকা
... থকা বৈষম্যতা দূৰীকৰণ আৰু সমান কামৰ বৰে সমান মজুৰি প্ৰদানৰ
... পুৰুষ মহিলাৰ সমতা স্থাপনত অৰিহণা যোগাইছে। স্বাধীন ভাৰতৰ চৰকাৰে মহিলা
... পুৰুষ সমপৰ্যায়লৈ আনিবৰ বাবে বিভিন্ন সময়ত বহুতো আইন প্ৰণয়ন কৰিছিল। সেইবোৰৰ উল্লেখযোগ্য কেইখনমান আইন হ'ল - হিন্দু বিবাহ আইন (১৯৫৫), হিন্দু উত্তৰাধিকাৰী আইন (১৯৫৫), যৌতুক বিৰোধী, ঘৰুৱা হিংসাৰ আইন (২০০৫) ইত্যাদি। ইয়াৰ উপৰিও ভাৰতীয় সংবিধানৰ ৭৩নং আৰু ৭৪ নং সংশোধনীয়ে মহিলা সকলক পঞ্চায়ত প্ৰশাসন ব্যৱস্থাত ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা প্ৰদান কৰি মহিলা সকলক স্থানীয় ৰাজনীতিক বহু ক্ষমতা

তাত্ত্বিক দিশত সাম্প্ৰতিক সময়ত পিতৃতন্ত্ৰৰ গুৰুত্ব আগতকৈ কমিছে যদিও বাস্তৱ দৃষ্টিকোণৰ পৰা চালি-জাৰি চালে দেখা যায় যে এতিয়াও ভাৰতীয় সমাজ ব্যৱস্থাত পুৰুষৰ প্ৰাধান্যই বেছি। ভাৰতীয় সমাজৰ পৰিয়াল, ধৰ্ম, ৰাজনৈতিক ব্যৱস্থা, আদি সকলোৰে পিতৃতন্ত্ৰ সক্ৰিয় হৈ থকাৰেই পোষকতা কৰে। বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰে ভাৰতীয় সমাজ আগবাঢ়ি গৈছে যদিও পৰিয়াল সমূহত পুৰুষৰ গুৰুত্ব এতিয়াও বেছি। ঘৰৰ তথা সমাজত প্ৰায়বোৰ বিষয়ৰ সিদ্ধান্ত সমূহ পুৰুষেই লয়, মহিলা সকলে মাত্ৰ সন্মতিহে প্ৰদান কৰে।ৰাজনৈতিক ক্ষেত্ৰটো সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত পুৰুষৰ আধিপত্যই দেখা যায়। যদিও কম সংখ্যক মহিলাই সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিবলৈ সুবিধা পাইছে, বেছি সংখ্যক মহিলাৰ স্থান সমাজত যথেষ্ট নিম্ন পৰ্য্যায়ৰ। এতিয়াও ভাৰতীয় সমাজ ব্যৱস্থাত ব্যক্তিগত জীৱনৰ অৰ্থনৈতিক ক্ষেত্ৰত পুৰুষে প্ৰায়েই নাৰীৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰা দেখা যায়। ইয়াৰ প্ৰধান কাৰণ হ'ল নাৰীৰ অৰ্থনৈতিক ক্ষেত্ৰত ক্ষমতা আৰু কৰ্তৃত্বৰ অভাৱ। ইয়াৰ উপৰিও পৰম্পৰাগতভৱে পিতৃতান্ত্ৰিক সমাজত পৈতৃক সম্পত্তিৰ ওপৰত পুৰুষসকলৰ হে বংশাণুক্ৰমিক অধিকাৰ দেখা যায়। ঠিক সেইদৰে সামাজিক, ৰাজনৈতিক, অনুষ্ঠান সমূহতো পিতৃতন্ত্ৰই নাৰীৰ প্ৰতি বৈষম্য ভাৱ প্ৰদৰ্শণ কৰা দেখা যায়। সামাজিক অনুষ্ঠান যেনে- পৰিয়াল, ধৰ্মীয় অনুষ্ঠান সমূহত পিতৃতান্ত্ৰিক পৰম্পৰাই পুৰুষক অধিক মৰ্য্যদা প্ৰদান কৰে আৰু মহিলা সকলক নিম্ন মৰ্য্যদা সম্পন্ন বুলি গণ্য কৰে

Scanned with CamScanner

kin marriage. In contrast, in traditionally patrilineal communities, post-marital residence was patrilocal (the woman joined her husband in his natal home) and often in another village. In addition, in northern India close-kin marriage was forbidden among most communities. South India has the fewest obstacles. Here, legal rights are relatively more equal, in-village and close-kin marriage is allowed. If a woman is married several villages' away, possibility of her exercising inheritance over parental property in her natal home also becomes comparatively remote.

However, thankfully in the modern era with the empowerment of women through education and other supportive legislation as mandated by the Indian Constitution, which right from its inception gave women equal rights with men leading to financial independence for women. The parents of the husbands still live home with their sons, but the daughters-in-law have rightfully a lot of say in the households. On a facetious, yet honest note, many young professional women, who have grown-up seeing and/or hearing about the mother-in-law, ill-treatment of their female relatives do not want to deal with an otherwise good catch if his mother is still alive or unless he vows to establish boundaries by setting up an independent home. Wiser folks back home, cognizant of the danger of personality clashes and their own innate need for independence and dignity, are increasingly constructing their homes such that they are self-contained units within the family property wherein the in-laws have their own privacy, and yet, they are within very close proximity to the son's family.

## QUESTIONS

Q. Explain the caste system and discuss various theories of caste.

Q. Discuss the theory of politicization of caste.

Q. Write short notes on

1. The first backward class commission (Kakasaheb Kalelkar commission)
2. The Mandal commission.
3. The creamy layer.
4. The NTs and DTs.
5. Nav Bauddha.

!. What are the main features of caste?

State the ill-effects of Casteism?

Name two facilities which the government has provided to the Other Backward Classes / Castes?.

State how caste inequalities are still continuing in India.

State two reasons to say that caste alone cannot determine election results in India.

What is the status of women's representation in India's legislative bodies?

łow women in India still face discrimination and oppression in various ways? xplain with four examples.

ate two reasons to say that caste alone cannot determine election result in ɗia.

Scanned with CamScanner

ৰাজনৈতিক অনুষ্ঠানসমূহৰ বিভিন্ন গোট সমূহত পুৰুষৰ তুলনাত মহিলাৰ অংশ গ্ৰহণ যথেষ্ট কম দেখা যায়। ইয়াৰ মূল কাৰণো হৈছে পিতৃতন্ত্ৰ। পিতৃতন্ত্ৰই মহিলা সকলক ৰাজনৈতিক অনুষ্ঠান সমূহত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰি আহিছে। পিতৃতন্ত্ৰৰ ধাৰণা আৰু ব্যৱস্থাক সমাজৰ পৰা নিৰ্মূল কৰিব পাৰিলেহে ভাৰতত এখন সমতা আৰু ন্যায়ভিত্তিক সমাজ প্ৰতিষ্ঠা কৰিব পৰা যাব।

## সম্ভাব্য প্ৰশ্নাৱলী

(ক) অতি চমু উত্তৰ (Very Short Questions)

(১) ইংৰাজী 'Caste' শব্দটো ................. ভাষাৰ পৰা আহিছে।
English word caste comes from............ language

(২) ভাৰতত পোন প্ৰথমে কোনে জাতি শব্দটো ব্যৱহাৰ কৰে?
In India who did use for the first time the word caste?

(৩) 'Fundamental of Sociology' নামৰ গ্ৰন্থখনৰ লিখক কোন?
Who is the author of the book 'Fundamental of Sociology'?

(৪) ভাৰতীয় চিন্তাবিদ সকলৰ মতে জাতি শব্দটো সংস্কৃত................পৰা আহিছে।
According to Indian thinkers the word caste is derived from the Sanskrit Word .............

(৫) জাতিৰ এটা সংজ্ঞা লিখা।
Write one definition of caste.

(৬) 'History of Human Marriage' গ্ৰন্থখনৰ লিখক কোন?
Who is the author of the book 'History of Human Marriage'?

(৭) 'Caste' Class and Occupation' গ্ৰন্থৰ লিখক ......................
The author of the book, 'Caste, Class and Occupation...........

(৮) জাতিৰ উৎপত্তি সম্পৰ্কীয় 'ধৰ্মীয় তত্ত্বৰ এজন পৃষ্ঠপোষকৰ নাম লিখা।
Name one exponent of the religious theory of caste.

(৯) জাতিৰ উৎপত্তি সম্পৰ্কীয় ব্ৰাহ্মণ্য তত্ত্বৰ এটা দোষ লিখা।
Write one defect of the Brahmanical Theory of Caste.

(১০) "State and Politics in Contemporary India' গ্ৰন্থখনৰ প্ৰনেতাজনৰ নাম লিখা।
Write the name of the author of the book 'State and Politics in Contemporary India'

(১১) জাতিপ্ৰথা আৰু গণতন্ত্ৰৰ মাজৰ এটা প্ৰভেদ লিখা।
Write one difference between Caste and Democracy.

(১২) সামাজিক শ্ৰেণীৰ এটা সংজ্ঞা লিখা।
Write one definition of social class.

Scanned with CamScanner